**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-09-2024 **Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

১। অসমত চলিত বৰ্ষত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যজুৰি গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পুনৰ নিৰ্ধাৰণৰ খচৰা প্ৰকাশ।
২। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনৰ আজি এন পি এছ্ বাৎসল্য আঁচনিৰ শুভাৰম্ভ।
৩। দেশৰ কোনো ঠাইতে আগতীয়া অনুমতি অবিহনে উচ্ছেদ কাৰ্য চলাব পৰা নাযাব বুলি উচ্চতম ন্যায়ালয়ৰ অন্তৰ্বৰ্তী আদেশ জাৰি।

*আৰু*

৪। আয়োজক দেশ চীনক ১-০ গলত পৰাস্ত কৰি অভিলেখ সংখ্যক পঞ্চমবাৰৰ বাবে ভাৰতৰ পুৰুষৰ এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ দখল।

০০০০০০০

অসমত চলিত বৰ্ষত হ'বলগীয়া পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজ্যজুৰি গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পুনৰ নিৰ্ধাৰণৰ খচৰা প্ৰকাশ কৰা হয়। এই অনুসৰি আজিৰেপৰা অহা ২০ ছেপ্তেম্বৰলৈকে জিলা আয়ুক্তৰ কাৰ্যালয়ত ব্যক্তিগত তথা ৰাজহুৱা দল সংগঠনৰ খচৰা সম্পৰ্কীয় আবেদন গ্ৰহণ কৰা হ'ব। কাইলৈ ৰাজনৈতিক দলসমূহৰ সৈতে খচৰা তালিকা সম্পৰ্কে আলোচনা কৰা হ'ব। ২২ ছেপ্তেম্বৰৰ পৰা ২৫ ছেপ্তেম্বৰলৈ খচৰা তালিকা সম্পৰ্কে ওজৰ-আপত্তি আৰু পৰামৰ্শ গ্ৰহণ কৰাৰ লগতে ২৭ ছেপ্তেম্বৰত পঞ্চায়তৰ সীমা নিৰ্ধাৰণৰ চূড়ান্ত তালিকা প্ৰকাশ কৰা হ'ব। উল্লেখযোগ্য যে সীমা নিৰ্ধাৰণৰ খচৰাৰ প্ৰতিলিপি পঞ্চায়ত কাৰ্যালয়, ব্লক কাৰ্যালয় আৰু চক্ৰবিষয়াৰ কাৰ্যালয়ত সংশ্লিষ্ট সকলোৰে পঢ়িব পৰাকৈ উপলভ্য কৰা হ'ব বুলি জানিব পৰা গৈছে।

বৰপেটা জিলা পৰিষদৰ কাৰ্যালয়ত মুখ্য কাৰ্যবাহী বিষয়া অৰূপ কুমাৰ পাঠকে জিলাখনৰ পঞ্চায়তৰ পাঁচটা পুনৰ নিৰ্ধাৰিত সমষ্টিৰ খচৰা প্ৰকাশ কৰে। এই অনুসৰি জিলাখনৰ বৰপেটা, মন্দিয়া, চেঙা, সৰভোগ, ভৱানীপুৰ আৰু পাকা বেতবাৰী বিধানসভা সমষ্টি সামৰি নতুন সীমা নিৰ্ধাৰণ কৰা হৈছে যদিও আঞ্চলিক পঞ্চায়তৰ সংখ্যা পূৰ্বৰ দৰে ৯ খনতে সীমাবদ্ধ আছে। একেদৰে জিলা পৰিষদ ১৯ খন আৰু গাঁও পৰিষদৰ ১০২ খন। এই বিষয়ে আমাক অধিক তথ্য জনাব সংবাদদাতা অৰূপজ্যোতি মহন্তই-

(ভইচ)

সমষ্টিৰ সীমা নিৰ্ধাৰণৰ ক্ষেত্ৰত চৰকাৰে জাৰি কৰা নীতি-নিৰ্দেশনা মৰ্মে প্ৰস্তুত কৰা খচৰা অনুসৰি শোণিতপুৰ জিলাৰ উন্নয়নখণ্ডৰ সংখ্যা পূৰ্বৰ ৭খনৰ ঠাইত ৮খন, গাঁও পঞ্চায়তৰ সংখ্যা ৮২ খনৰ ঠাই ৮৮ খন হৈছে। ৰাজ্য চৰকাৰৰ পঞ্চায়ত ও গ্ৰামোন্নয়ন বিভাগৰ নিৰ্দেশনাৰ লগত সংযোগ ঘটাই খচৰা প্ৰকাশৰ পাছৰ কামখিনি চলাই নিবৰ বাবে সময়সীমা নিৰ্ধাৰণ কৰি দিয়া হৈছে।

চৰাইদেউ জিলাতো গাঁও পঞ্চায়ত আঞ্চলিক পঞ্চায়ত আৰু জিলা পৰিষদৰ পুনৰ নিৰ্ধাৰণৰ খচৰা প্ৰকাশ কৰা হয়। প্ৰয়োজনীয় সাল-সলনিৰ পাছত পূৰ্বৰ দৰেই জিলাখনৰ জিলা পৰিষদ সমষ্টিৰ সংখ্যা ৭ খন, গাঁও পঞ্চায়ত সংখ্যা ৩৬ খন, ৱাৰ্ডৰ সংখ্যা ৩৬০ আৰু লোকপিয়ল গাঁৱৰ সংখ্যা ৩২৭ খন হৈছে।

বঙাইগাঁও জিলাৰ তিনিটা বিধানসভা সমষ্টিৰ অধীনৰ গাঁও পঞ্চায়তসমূহৰ সীমা নিৰ্ধাৰণৰ খচৰা তালিকা সম্পৰ্কে কালি বঙাইগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত সংবাদমেল সম্বোধন কৰে। বঙাইগাঁও জিলা আয়ুক্ত ধ্ৰুৱজ্যোতি দাসে ১২ টা জিলা পৰিষদৰ সমষ্টি, ৫ খন আঞ্চলিক পঞ্চায়ত আৰু ৬৫ খন গাঁও পঞ্চায়ত সামৰি পঞ্চায়তৰ সীমা পুনৰ নিৰ্ধাৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে বুলি উল্লেখ কৰে।

০০০০০০০

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজি চিৰাং জিলা নগৰ ভ্ৰমণ কৰিব। বঙাইগাঁও শোধনাগাৰত উপস্থিত হোৱাৰ পাছত মুখ্যমন্ত্ৰীয়ে শোধনাগাৰ সামূহিক ভৱনত অনুষ্ঠিত হ'বলগীয়া বিজেপি আৰু ইউপিপিএলৰ যুটীয়া সভাত অংশগ্ৰহণ কৰিব। সভাত বিশেষকৈ সমাগত বিধানসভা উপনিৰ্বাচনৰ বাবে চিৰাং জিলাৰ ছিদলী বিধানসভা সমষ্টিটো মিত্ৰজোঁট ইউ পি পি এলৰ প্ৰাৰ্থীক এৰি দিয়াৰ ক্ষেত্ৰত গ্ৰহণ কৰিবলগীয়া ৰণকৌশল তথা দুয়োটা দলৰ যুটীয়া কাম-কাজৰ বিষয়ে আলোচনা কৰা হ'ব। ইউ পি পি এলৰ সভাপতি তথা বি টি চিৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োসহ দুয়োটা দলৰে কেইবাগৰাকীও নেতাই এই বৈঠকত অংশগ্ৰহণ কৰিব। ইপিনে, এই সভাৰ পাছতে মুখ্যমন্ত্ৰীয়ে বঙাইগাঁও জিলা ভ্ৰমণ কৰিব। তাত তেওঁ নিৰ্মীয়মান বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় পৰিদৰ্শন কৰাৰ লগতে অসম আৰক্ষী সন্মিলন কেন্দ্ৰত বঙাইগাঁও বিধানসভা সমষ্টিৰ উপ-নিৰ্বাচন সন্দৰ্ভত অগপ আৰু বিজেপিৰ যুটীয়া বৈঠকত অংশগ্ৰহণ কৰিব।

০০০০০০০

সমগ্ৰ দেশতে স্বচ্ছতাই সেৱা অভিযান ২০২৪ আৰম্ভ হৈছে। আকাশবাণী গুৱাহাটীয়েও স্বচ্ছতা সেৱা অভিযানৰ অধীনত চাফাই কাৰ্যসূচী ৰূপায়ণ কৰিছে। ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ সকলো মন্ত্ৰালয়ে দেশজুৰি স্বচ্ছতাৰ বাবে বিভিন্ন কাৰ্যসূচী আয়োজন কৰিছে। এইবাৰৰ এই অভিযানৰ বিষয়বস্তু হৈছে **স্বভাৱ স্বচ্ছতা-সংস্কাৰ স্বচ্ছতা**। দেশৰ পৰ্যটনস্থলী, ৰাজহুৱা ভৱন, বাণিজ্যিক অঞ্চল, জলাশয়, চিৰিয়াখানা তথা ৰাজহুৱা প্ৰস্ৰাৱগাৰৰ দৰে বিভিন্ন স্থানত সমূহীয়া শ্ৰমদানেৰে এই অভিযান অহা ২ অক্টোবৰলৈকে চলোৱা হ'ব। উল্লেখযোগ্য যে, সমাজৰ ভিন্ন দৃষ্টিভংগীৰ আধাৰত তিনিটা মুখ্য দিশক সামৰি চলিত বৰ্ষৰ অভিযান আয়োজন কৰা হৈছে। এই দিশসমূহ হৈছে- স্বচ্ছতা বিশেষ গোটসমূহৰ বাবে শ্ৰমদান কাৰ্যসূচী, স্বচ্ছতাত জনসাধাৰণৰ অংশগ্ৰহণ আৰু ছাফাই মিত্ৰ সুৰক্ষা শিবিৰ। এই অভিযানত দেশজুৰি নাগৰিকসকলকে ধৰি বিভিন্ন উদ্যোগ প্ৰতিষ্ঠান, বেচৰকাৰী সংস্থা, উন্নয়নমূলক সংস্থা, স্থানীয় নগৰীয়া গোটসমূহ, পঞ্চায়ত তথা বিভিন্ন গোটে অংশগ্ৰহণ কৰিছে।

০০০০০০

মিজোৰামত হৈ থকা ধাৰাষাৰ বৰষুণৰ বাবে ৰাষ্ট্ৰীয় ঘাইপথ আৰু ৰেলপথসমূহেৰে যাতায়ত ব্যৱস্থা অতি বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। পাহাৰীয়া ৰাজ্যখনলৈ অত্যাৱশ্যকীয় খাদ্যসামগ্ৰী, ইন্ধন আদি সৰবৰাহৰ ক্ষেত্ৰতো বাধাৰ সৃষ্টি হৈছে। ৰেল বিভাগৰ সূত্ৰই প্ৰকাশ কৰা অনুসৰি যোৱা মাহত হোৱা বান আৰু ভূমিস্খলনৰ ফলত ২১ আগষ্টৰ পৰা হাইলাকান্দি জিলাৰ জামিৰাৰ সৈতে মিজোৰামৰ বাইৰাবীৰ পৰা ৰেল সেৱা বন্ধ হৈ আছে। উত্তৰ-পূব সীমান্ত ৰেলৱেই প্ৰকাশ কৰা অনুসৰি ৰেলপথেৰে যাতায়ত পুনৰ আৰম্ভ কৰাৰ বাবে বিভাগৰ অভিযন্তা আৰু শ্ৰমিকসকলে দিনে-নিশাই কাম অব্যাহত ৰাখিছে। ইপিনে, ট্ৰাক চালক আৰু চৰকাৰী সূত্ৰই পৃথকে পৃথকে জনোৱা অনুসৰি ঘাইপথসমূহৰ দুৰাৱস্থাৰ বাবে অসমৰ সীমামূৰীয়া কলাশ্বিৰ জিলাৰ ৩০৬ আৰু ৬ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত সামগ্ৰী কঢ়িওৱা বাহনসমূহ দীৰ্ঘ সময় ধৰি ৰখাই থ'বলগীয়া হৈছে।

০০০০০০০

অসম প্ৰত্যক্ষ নিযুক্তি প্ৰক্ৰিয়া স্বচ্ছ আৰু নিকা ৰূপত অনুষ্ঠিত কৰাৰ বাবে ৰাজ্য চৰকাৰে প্ৰচেষ্টা অব্যাহত ৰখাৰ বিপৰীতে একাংশ লোকে ভিত্তিহীনভাৱে এই পৰীক্ষাত ক্ৰুটি উলিয়াবলৈ ব্যস্ত হৈ থকা বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰে। তেওঁ কয় যে ৰাজ্য চৰকাৰে উৎসৰ্গিকৃত মনোভাৱেৰে এই কাম সম্পন্ন কৰাৰ বিপৰীতে একাংশ সংবাদ মাধ্যম আৰু বিভিন্ন পক্ষই এই পৰীক্ষাক ক্ৰুটিপূৰ্ণ বুলি প্ৰমাণ কৰিবলৈ বৃথা চেষ্টা কৰি আহিছে। ইয়াৰ ফলত যুৱক-যুৱতীসকলৰহে ক্ষতি হ'ব বুলি তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে, পৰীক্ষাৰ পাছত প্ৰশ্নকাকতখন কোনোবাই কোনো মাধ্যমত প্ৰকাশ কৰিলেও তাৰ কোনো মূল্য নাথাকে। এই পৰীক্ষা সম্পূৰ্ণ নিকা আৰু ক্ৰুটিমুক্তভাৱে অনুষ্ঠিত কৰিবলৈ ৰাজ্য চৰকাৰ সমৰ্থ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে লগতে ৰাজ্য চৰকাৰৰ পৰৱৰ্তী পৰীক্ষাসমূহৰ প্ৰশ্নকাকত প্ৰাৰ্থীয়ে লগত লৈ যাব পৰাকৈ ব্যৱস্থা গ্ৰহণ কৰিবলৈ নিৰ্দেশনা দিব বুলি উল্লেখ কৰি এইদৰে কয় –

(বাইট মুখ্যমন্ত্ৰী)

০০০০

অসম লোকসেৱা আয়োগৰ পৰীক্ষাত অনিয়ম সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে দাখিল কৰা অভিযোগনামাৰ ভিত্তিত কালি বিশেষ ন্যায়াধীশৰ আদালতে ২৩ জন অভিযুক্ত বিষয়াৰ বিৰুদ্ধে অভিযোগ গ্ৰহণ কৰে। আদালতে অভিযোগনামাত নাম অন্তৰ্ভুক্ত নোহোৱা ৯ জন বিষয়াৰ বিৰুদ্ধেও নিজাববীয়াকৈ অভিযোগ গ্ৰহণ কৰিছে। উল্লেখযোগ্য যে লোকসেৱা আয়োগৰ পৰীক্ষাত অনিয়ম সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনত নাম থকা ১৪ জন অভিযুক্ত বিষয়াৰ নাম বিশেষ তদন্তকাৰী গোটে অভিযোগনামাত সন্নিবিষ্ট কৰা নাছিল। বিশেষ আদালতে এই ১৪ জন বিষয়াৰ ভিতৰত ৯ জনৰ বিৰুদ্ধে নিজাববীয়াকৈ অভিযোগ গ্ৰহণ কৰে।

০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি নতুন দিল্লীত এন পি এছ বাৎসল্য আঁচনিৰ শুভাৰম্ভ কৰিব। এই উপলক্ষে আয়োজিত অনুষ্ঠানত কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে আঁচনিখনৰ প্ৰচাৰ-পত্ৰিকা উন্মোচনৰ লগতে নতুন নাবালক উপভোক্তাসকলক স্থায়ী অৱসৰ একাউণ্ট নম্বৰ - প্ৰাণ কাৰ্ড বিতৰণ কৰিব। শিশু উপভোক্তাসকলক প্ৰাণ কাৰ্ডৰ জৰিয়তে এ পি এছ বাৎসল্যত অন্তৰ্ভুক্ত কৰা হ'ব। এই কাৰ্যসূচীত বিদ্যালয় ছাত্ৰ-ছাত্ৰীসকলে ভাগ ল'ব। নতুন দিল্লীত আয়োজিত এই কাৰ্যসূচীৰ সমান্তৰালভাৱে সমগ্ৰ দেশৰ প্ৰায় ৭৫টা স্থানত একে সময়তে এই মুকলি অনুষ্ঠান অনুষ্ঠিত হ'ব। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে দিল্লীৰ কৰ্যসূচীৰ সৈতে জড়িত হ'বলগীয়া অঞ্চলসমূহত নতুন নাবালক উপভোক্তাসকলে যোগদান কৰাৰ লগতে তেওঁলোকক প্ৰাণ সদস্যপদো বিতৰণ কৰা হ'ব। এই আঁচনিৰ জৰিয়তে অভিভাৱকসকলৰ পেন্সন একাউণ্টত বিনিয়োগেৰে সন্তানৰ ভৱিষ্যত সুৰক্ষাৰ সুবিধা আগবঢ়োৱা হ'ব। এই আঁচনিৰ যোগেদি অভিভাৱকসকলে সন্তানৰ নামত বছৰি এহেজাৰ টকাকৈ বিনিয়োগ কৰিব পাৰিব। কেন্দ্ৰীয় চৰকাৰে এন পি এছ বাৎসল্য আঁচনিৰ

জৰিয়তে সকলোৰে বাবে দীৰ্ঘম্যাদী বিত্তীয় পৰিকল্পনা আৰু নিৰাপত্তাৰ প্ৰতি থকা তেওঁলোকৰ দায়বদ্ধতা প্ৰকাশ কৰিছে। দেশৰ ভৱিষ্যৎ প্ৰজন্মক আৰ্থিকভাৱে অধিক সুৰক্ষিত আৰু স্বাধীন কৰি তোলাৰ দিশত এয়া এটা বৃহৎ পদক্ষেপ হিচাপে বিবেচিত হৈছে।

0000000

উচ্চতম ন্যায়ালয়ে দেশৰ কোনো ঠাইতে আগতীয়া অনুমতি অবিহনে উচ্ছেদ কাৰ্য চলাব পৰা নাযাব বুলি এটা অন্তৰ্বৰ্তী আদেশ জাৰি কৰিছে। বিভিন্ন ৰাজ্যত এনেধৰণৰ উচ্ছেদ কাৰ্য সন্দৰ্ভত দাখিল হোৱা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে এই আদেশ জাৰি কৰে। অৱশ্যে ৰাজহুৱা পথ, পদপথ, ৰে’লপথ আৰু জলাশয়কে ধৰি অন্য ৰাজহুৱা স্থানত অবৈধ দখলৰ ক্ষেত্ৰত এই আদেশ প্ৰযোজ্য নহ’ব বুলি ন্যায়ালয়ে স্পষ্ট কৰি দিয়ে। ন্যায়াধীশ ডি আৰ গাভাই আৰু কে ভি বিশ্বনাথনৰ আদালতে এই ৰায় দিয়ে।

0000000

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে আজি ৰাজস্থান, মধ্য প্ৰদেশ আৰু ঝাৰখণ্ড ভ্ৰমণলৈ যাব। জয়পুৰত তেওঁ মালব্য ৰাষ্ট্ৰীয় প্ৰযুক্তি প্ৰতিষ্ঠানৰ সমাৱৰ্তন সমাৰোহত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব আৰু সমাৱৰ্তন ভাষণ প্ৰদান কৰিব। শ্ৰীমতী মুৰ্মুৰে লগতে শিক্ষাৰ্থীসকলৰ বাবে ৬০০খন বিছনাযুক্ত আৱাৱলী ছাত্ৰাবাসো মুকলি কৰিব। ৰাজস্থানৰ ৰাজ্যপাল হৰিভাউ কিষণৰাও বাগড়ে আৰু মুখ্যমন্ত্ৰী ভজনলাল শৰ্মাও অনুষ্ঠানত উপস্থিত থাকিব।

ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ মধ্য প্ৰদেশত চাফাই মিত্ৰ সন্মিলক সম্বোধন কৰিব আৰু ইন্দোৰ-উজ্জয়িনী সংযোগী ছটা লেনযুক্ত পথৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে ইন্দোৰৰ দেৱী অহিল্যা বিশ্ববিদ্যালয়ৰ চতুৰ্দশ সমাৱৰ্তন সমাৰোহত ভাগ ল’ব।

শুকুৰবাৰে ৰাষ্ট্ৰপতি মুৰ্মুৰে ঝাৰখণ্ডৰ ৰাঁচীৰ আই চি এ আৰৰ ৰাষ্ট্ৰীয় কৃষি মাধ্যমিক প্ৰতিষ্ঠানৰ শতবাৰ্ষিকী সমাৰোহক সম্বোধন কৰিব।

00000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ২১ৰ পৰা ২৩ ছেপ্তেম্বৰলৈ আমেৰিকা যুক্তৰাষ্ট্ৰ ভ্ৰমণ কৰিব। শ্ৰীমোদীয়ে ২১ ছেপ্তেম্বৰত ৱাশ্বিংটনৰ ডেলাৱেৰত হ’বলগীয়া কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলৰ চতুৰ্থ শীৰ্ষ সন্মিলনত ভাগ ল’ব। ভাৰতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ অনুৰোধ মৰ্মে অহা বছৰ কোৱাড শীৰ্ষ সন্মিলনৰ আয়োজন কৰিবলৈ সন্মতি প্ৰকাশ কৰিছে। বিদেশ মন্ত্ৰালয়ে কৈছে যে বৈঠকত কোৱাড ৰাষ্ট্ৰগোষ্ঠীৰ নেতাসকলে বিগত এটা বছৰত ৰাষ্ট্ৰগোষ্ঠীটোৱে লাভ কৰা প্ৰগতিৰ পৰ্যালোচনা চলাব। তেওঁলোকে ভাৰত-প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ দেশসমূহক নিজৰ নিজৰ উন্নয়নৰ লক্ষ্য আৰু আশা-আকাংক্ষা পূৰণ কৰাত সহায় কৰাৰ বাবে পৰৱৰ্তী এটা বছৰৰ বাবে কাৰ্যসূচী নিৰ্ধাৰণ কৰিব।

প্ৰধানমন্ত্ৰী মোদীয়ে ২৩ ছেপ্তেম্বৰত নিউয়ৰ্কস্থিত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাত ছামিট অব দ্য ফিউচাৰ শীৰ্ষক সন্মিলনক সম্বোধন কৰিব। এই সন্মিলনৰ মূল বিষয়বস্তু হৈছে উন্নত ভৱিষ্যতৰ বাবে বহুপাক্ষিক সমাধান। বিশ্ব বিভিন্ন প্ৰান্তৰ ভালেসংখ্যক নেতাই এই সন্মিলনত অংশগ্ৰহণ কৰিব। সন্মিলনত ভাগ লোৱাৰ সুযোগতে প্ৰধানমন্ত্ৰী মোদীয়ে বিভিন্ন দেশৰ নেতৃবৰ্গৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হ’ব আৰু পাৰস্পৰিক স্বাৰ্থজড়িত ভিন ভিন বিষয় লৈ আলোচনা কৰিব। ভ্ৰমণ কালত প্ৰধানমন্ত্ৰীয়ে নিউয়ৰ্কত ভাৰতীয় সম্প্ৰদায়ৰ এটা সমাবেশকো সম্বোধন কৰিব। তেওঁ লগতে কৃত্ৰিম বুদ্ধিমত্তা, কোৱাণ্টাম কম্পিউটিং, অৰ্দ্ধপৰিবাহী আৰু জৈৱ প্ৰযুক্তি আদি ক্ষেত্ৰত উভয় দেশৰ মাজত সহযোগিতা অধিক সুদৃঢ় কৰাৰ উদ্দেশ্যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ আগশাৰীৰ কোম্পানীসমূহৰ মুখ্য কাৰ্যবাহী বিষয়াসকলৰ সৈতে মত বিনিময় কৰিব।

00000

জম্মু-কাশ্মীৰৰ বিধানসভা নিৰ্বাচনৰ প্ৰথম পৰ্যায়ৰ ২৪টা সমষ্টিৰ বাবে ভোটগ্ৰহণ আজি পুৱা ৮ বজাৰ পৰা আৰম্ভ হৈছে। ৰাজ্যখনত মুঠ ৯০টা সমষ্টিৰ বাবে তিনিটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ’ব। অহা ২৫ ছেপ্তেম্বৰত ২৬টা সমষ্টিৰ বাবে দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণ হোৱাৰ লগতে ১ অক্টোবৰত ৪০টা সমষ্টিৰ বাবে তৃতীয় ভোটগ্ৰহণ অনুষ্ঠিত হ’ব। জম্মু-কাশ্মীৰ বিধানসভাৰ আটাইকেইটা সমষ্টিৰ ভোটগণনা অহা ৮ অক্টোবৰত অনুষ্ঠিত হ’ব।

0000000

হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে মুঠ এহেজাৰ ৩১ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ’ব। হাৰিয়ানা মুখ্য নিৰ্বাচনী বিষয়া পংকজ আগৰৱালে কৈছে যে এইবাৰৰ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰা প্ৰাৰ্থীসকলৰ ভিতৰত ১০১গৰাকী মহিলা আৰু ৪৬২ গৰাকী নিৰ্দলীয় প্ৰাৰ্থী আছে। ৰাজ্যখনত অহা ৫ অক্টোবৰত এটা পৰ্যায়ত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ’ব।

নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে ৰাজ্যখনত প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰ হৈ উঠিছে। ভিন ভিন ৰাজনৈতিক দলৰ নেতাসকলে ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা

গৃহমন্ত্ৰী অমিত শ্বাহে কালি ভিৱানী আৰু ফৰিদাবাদত দুখন নিৰ্বাচনীত সভাত অংশগ্ৰহণ কৰে। ভিৱানীত নিৰ্বাচনী সভাক সম্বোধন কৰি শ্ৰীশ্বাহে কংগ্ৰেছ দল অনুসূচিত জাতি, জনজাতি আৰু পিছপৰা শ্ৰেণীৰ সংৰক্ষণ ব্যৱস্থাৰ পৰিপন্থী বুলি অভিযোগ তোলে। ফৰিদাবাদৰ নিৰ্বাচনী সভাত অংশ লৈ শ্ৰীশ্বাহে কয় যে বিজেপিয়ে সমাজৰ কল্যাণৰ হকে কাম কৰাৰ বিপৰীতে কংগ্ৰেছে অকল পৰিয়ালৰ স্বাৰ্থৰ হকেহে কাম কৰে। তেওঁ কয় যে কংগ্ৰেছ দল ক্ষমতাত থকাৰ সময়ত দুৰ্নীতি আৰু বিশৃংখলতা বৃদ্ধি পাইছিল, কিন্তু বিজেপিয়ে এই সমস্যাসমূহ দূৰ কৰিছে।

ooooo

ভাৰতে আয়োজক দেশ চীনক ১-০ গলত পৰাস্ত কৰি অভিলেখ সংখ্যক পঞ্চমবাৰৰ বাবে পুৰুষৰ এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ দখল কৰিছে। হুলুনবুইৰত কালি অনুষ্ঠিত ৰোমাঞ্চকৰ খেলখনত ভাৰতৰ হৈ যুগৰাজ সিঙে একমাত্ৰ গলটো দিয়ে। এই জয়ৰ সুবাদত ভাৰত প্ৰতিযোগিতাৰ ইতিহাসত সবাতোকৈ সফল দলৰূপে পৰিগণিত হৈছে। ভাৰতে প্ৰতিযোগিতাৰ ৮ টা সংস্কৰণৰ ভিতৰত ছবাৰকৈ ফাইনেলত অৱতীৰ্ণ হৈছে আৰু ৫ বাৰ খিতাপ দখল কৰিছে। চীনে এইবাৰেই প্ৰথমবাৰৰ বাবে ফাইনেলত প্ৰৱেশ কৰিছিল। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এছিয়ান ছেম্পিয়নছ ট্ৰফী হকী প্ৰতিযোগিতাৰ খিতাপ জয় কৰাৰ বাবে ভাৰতীয় পুৰুষ হকী দলটোক অভিনন্দন জনাইছে। শ্ৰীমোদীয়ে তেওঁৰ বাৰ্তাত কয় যে খেলুৱৈসকলে তেওঁলোকৰ প্ৰদৰ্শন, উদ্যম আৰু নিষ্ঠাৰে দেশক গৌৰৱান্বিত কৰিছে।

oooooooo

**সমাপ্ত**